NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত কালি সামগ্ৰিকভাৱে ৬৮ শতাংশৰো অধিক ভোটদান হয়।

২। এই পৰ্যায়ত অসমৰ ৫টা সমষ্টিত ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

৩। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে।

৪। লোকসভা নিৰ্বাচনৰ বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচন কালি দুই এটা বিক্ষিপ্ত ঘটনাৰ বাহিৰে প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টিক সামৰি হোৱা এই পৰ্যায়ৰ নিৰ্বাচনত সামগ্ৰিকভাৱে ৬৮ শতাংশৰো অধিক ভোটদান হয়। শেহতীয়া তথ্য অনুসৰি অসমত ৭৫ দশমিক ৯-৫, মণিপুৰত ৭২ দশমিক ১-৭, ছিকিমত ৮০ দশমিক শূন্য-৩ , বিহাৰত ৪৮ দশমিক ৮-৮ , ছত্তিশগড়ত ৬৭ দশমিক ৫-৬, উত্তৰ প্ৰদেশত ৬০ দশমিক ২-৫, মহাৰাষ্ট্ৰত ৬১ দশমিক ৮-৮, ৰাজস্থানত ৫৭ দশমিক ২-৫, অৰুণাচল প্ৰদেশত ৭২ দশমিক ৭-৪, মেঘালয়ত ৭৪ দশমিক ৫-০, মিজোৰামত ৫৬ দশমিক ৬-০, নাগালেণ্ডত ৫৬ দশমিক ৯-১, ত্ৰিপুৰাত ৮১ দশমিক ৬-২ আৰু পশ্চিম বংগত ৮০ দশমিক ৫-৫ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

অসমত এই পৰ্যায়ত সামগ্ৰিকভাৱে ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত ভোটদাতাসকলে উৎসাহ উদ্দীপনাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। ৰাজ্যখনত প্ৰথম পৰ্যায়ত সামৰি লোৱা ৫টা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ গৰাকী মহিলা প্ৰাৰ্থী। ইয়াৰ ভিতৰত ৩ গৰাকীয়ে কাজিৰঙা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে আন এগৰাকীয়ে শোণিতপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিছে।

প্ৰাপ্ত তথ্য অনুসৰি **শোণিতপুৰ** সমষ্টিত ৭৪ দশমিক ৮-১ শতাংশ, **কাজিৰঙা** সমষ্টিত ৭৫ দশমিক ৭-৯ শতাংশ, ডিব্ৰুগড় লোকসভা সমষ্টিত ৭৬ দশমিক ৭-৪ শতাংশ, লখিমপুৰ সমষ্টিত ৭২ দশমিক ৬-৫ শতাংশ আৰু যোৰহাটত ৭৯ দশমিক ৪-৮ শতাংশ ভোটদান সম্পূৰ্ণ হৈছে।

প্ৰথম পৰ্যায়ত মুঠ ভোটদাতাৰ সংখ্যা ১৬ কোটি ৬৩ লাখ। ইয়াৰে ভিতৰত ৪ কোটি ৪০ লাখ পুৰুষ, ৮ কোটি ২৩ লাখ মহিলা আৰু ১১ হাজাৰ তৃতীয় লিংগৰ ভোটাৰ আছে। এই পৰ্যায়ত ভোটদান কৰা নতুন ভোটদাতা প্ৰায় ৩৬ লাখ আছে বুলি জানিব পৰা গৈছে।

এই পৰ্যায়ত মুঠ এহেজাৰ ৬২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। প্ৰথম পৰ্যায়ত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, নীতিন গাডকাৰী, কিৰেণ ৰিজিজু, ডা০ জিতেন্দ্ৰ সিং, সঞ্জীৱ বালিয়ান, কংগ্ৰেছ নেতা গৌৰৱ গগৈ, কাৰ্তি চিদাম্বৰম, নকুল নাথ, ডি এম কেৰ দয়ানিধি মাৰাণ, বিজেপি নেতা তামিলছাই সৌন্দৰ ৰাজন আৰু জিতিন প্ৰসাদ অন্যতম।

লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো সম্পন্ন হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি অৰুণাচল প্ৰদেশ বিধানসভা নিৰ্বাচনত ৭৬ দশমিক ৪-৪ আৰু ছিকিমত ৭৯ দশমিক ৮-৬ শতাংশ ভোটদান হৈছে।

নিৰ্বাচন আয়োগে ভোটদাতা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জৰিত সকলোকে ধন্যবাদ জনাইছে। ছত্তিশগড়ৰ বাষ্টাৰৰ  ৫৬ খন গাওঁ আৰু গ্ৰেট নিকোবৰৰ ছোম্পেন জনজাতিৰ লোকসকলে এইবেলি প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰে। ছোম্পেন জনজাতি গ্ৰেট নিকোবৰ দ্বীপৰ অভ্যন্তৰীণ অংশত বাস কৰা এটা জনজাতি। এই লোকসকলক বিশেষভাৱে দুৰ্বল জনজাতি গোট বুলি চিনাক্ত কৰা হৈছে। প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা ভালে সংখ্যক যুৱক-যুৱতীয়েও উৎসাহেৰে  ভোটদান কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰতি জনসাধাৰণৰ বিপুল সহাৰি পৰিলক্ষিত হৈছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে প্ৰথম পৰ্যায়ত ভোটদান কৰা প্ৰতিগৰাকী লোকক ধন্যবাদ জ্ঞাপন কৰিছে। ০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ সামৰণিৰ অন্তত কালি পশ্চিংবংগৰ মুখ্য নিৰ্বাচনী বিষয়াই এখন সংবাদমেলত অনুষ্ঠিত কৰে। এই সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়া আৰিজ আফটাৰে প্ৰকাশ কৰা মতে, কালি কোচবিহাৰত সংঘটিত দুটা পৃথক ঘটনাত দুজন লোক আহত হৈছে। লোক দুজনক স্থানীয় চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি থকা হৈছে। বিষয়াগৰাকীয়ে লগতে কয় যে মুঠ ১২জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। এই পৰ্যায়ত অহা ৭ মে'ত দেশৰ ১০খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ বাবে বহুজন সমাজ পাৰ্টী-বি এছ পিয়ে দলীয় প্ৰাৰ্থীৰ ষষ্ঠখন তালিক প্ৰকাশ কৰিছে। এই তালিকাত দলে ১১গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। এইবাৰ দলে বাৰাণসীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

বিৰুদ্ধে তেওঁলোকৰ প্ৰাৰ্থী সলনি কৰিছে। সেই অনুসৰি বাৰাণসীৰ বাবে অটহৰ জামান লাৰিৰ ঠাইত চৈয়দ নিয়াজ আলীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। আনহাতে হাৰদৈ সংৰক্ষিত আসনখনৰ বাবে ভিমৰাও আম্বেদকাৰক প্ৰাৰ্থীত্ব প্ৰদান কৰা বিপৰীতে সন্ত কবীৰনগৰত মহম্মদ আলম আৰু ফটেহপুৰত ড০ মনীষ সিং সচানক প্ৰাৰ্থী হিচাপে ঠিয় কৰোৱাইছে। সেইদৰে ফিৰোজাবাদ আসনখনৰ বাবে চৌধাৰী বশ্বিৰ, চিতাপুৰত মহেন্দ্ৰ সিং, মহাৰাজগঞ্জত মহম্মদ মৌচেম আলম, মিচ্ৰিখত বি আৰ অহিৰৱাৰ, মছলি চেহৰ সংৰক্ষিত আসনখনত কৃপাশংকৰ সৰোজ, ভাদোহীত অটহৰ আন ছাৰী আৰু ফুলপুৰত জগন্নাথ পালক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ পাছত বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে দেশৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোডশ্ব'ত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মহাৰাষ্ট্ৰৰ ৱাৰ্ধাত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। শ্ৰী মোদীয়ে কয় যে এইবাৰৰ নিৰ্বাচন দেশৰ ভৱিষ্যত সুনিশ্চিত কৰা আৰু অনাগত ৫ বছৰত দেশক মহাশক্তি ৰূপে গঢ়ি তোলাৰ নিৰ্বাচন হিচাপে পৰিগণিত হৈছে।

ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে কৈছে যে, বিজেপিয়ে মুদ্ৰাস্ফীতি আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে প্ৰকৃত বিষয়ৰ পৰা আঁতৰি ফুৰিছে। তেওঁ লগতে দলটোৰ গোপন অভিপ্ৰায় আছে বুলি মন্তব্য কৰিছে। বিহাৰৰ কাটিহাৰত কালি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি নেতাগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰী খাৰ্গেই কয় যে, তেওঁৰ দলে সংবিধানক ৰক্ষা কৰাৰ বাবে বিভাজনকাৰী শক্তিসমূহৰ বিৰুদ্ধে আহ্বান জনাইছে। তেওঁ কয় যে, বিজেপিয়ে ধনবল আৰু বিধি বলৱৎকাৰী সংস্থাসমূহৰ অপপ্ৰয়োগৰে বিভিন্ন ৰাজ্যৰ নিৰ্বাচিত চৰকাৰক ক্ষমতাচ্যুত কৰিছে।

ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধীৰ দৰে কংগ্ৰেছ নেতাসকলে দেশৰ একতাৰ বাবে নিজৰ প্ৰাণ আহুতি দিছে যদিও বিজেপিৰ তেনে কোনো ইতিহাস নাই বুলি শ্ৰী খাৰ্গেই প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কিষাণগঞ্জত আন এখন সভাত অংশগ্ৰহণ কৰে।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি গান্ধীনগৰ সংসদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে।। আনহাতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৰেশ ধনানীয়েও ৰাজকোট আসনৰ পৰা মনোনয়ন দাখিল কৰিছে। গুজৰাটত তৃতীয় পৰ্যায়ত অহা ৭ মে'ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

ওড়িশাৰ ঝাৰচুগুড়া জিলাৰ লখনপুৰৰ সমীপৰ মহানদীত কালি বিয়লি এটা নাও দুৰ্ঘটনাত কমেও দুজন লোকে প্ৰাণ হেৰুৱাইছে। মহিলা আৰু শিশুকে ধৰি ছগৰাকী লোক এতিয়াও সন্ধানহীন হৈ থকাৰ প্ৰতি লক্ষ্য

ৰাখি এই দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ আশংকা কৰা হৈছে। সন্ধানহীন লোককেইজনক উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে।

প্ৰতিবেদন অনুসৰি নাওখনে চুবুৰীয়া ৰাজ্য ছত্তিশগড় ৫০গৰাকী যাত্ৰী কঢ়িয়াই নিছিল। ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়লৈ ৪ লাখ টকাকৈ এককালীন সাহাৰ্য ঘোষণা কৰিছে।

০০০০০০

লক্ষ্নৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্নৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্নৌ ছুপাৰ জায়েণ্টছে ১৭৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত দুটা উইকেট হেৰুৱাই ১৮০ ৰাণ কৰে। লক্ষ্নৌৰ হৈ কে এল ৰাহুলে ৫৩টা বলত ৮২ ৰাণ কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰাণ কৰে। চেন্নাইৰ হৈ ৰবিন্দ্ৰ জাদেজাই সৰ্বাধিক ৫৭ ৰাণ কৰে। লক্ষ্নৌৰ ক্ৰুনাল পাণ্ডিয়াই দুটা উইকেট দখল কৰে। কে এল ৰাহুলক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০